**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

০০০০০০

১। কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনৰ হিতাধিকাৰীসকলৰ ৰাজসাহায্যৰ বাবে ১২ হাজাৰ কোটি টকাত অনুমোদন দিছে।

২। বিৰোধী দলসমূহে বিভিন্ন বিষয় লৈ হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰাত দুয়োখন সদনৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুৱে কাইলৈ ৰাখীবন্ধন উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৪। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি বিহাৰত আৰজেডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱ আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰে।

আৰু

৫। শক্তিমন্ত্ৰী মনোহৰ লাল খাট্টাৰ আৰু পাৰমানৱিক শক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি পাৰমানবিক শক্তি আঁচনিৰ এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়।

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৫-২৬ বৰ্ষৰ বাবে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনৰ হিতাধিকাৰীসকলৰ ৰাজসাহায্যৰ বাবে ১২ হাজাৰ কোটি টকাত অনুমোদন দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰীসভাই এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। তেওঁ কয় যে ইয়াৰ ফলত ১০ কোটি ৩৩ লাখৰো অধিক হিতাধিকাৰী লাভান্বিত হব। কেন্দ্ৰীয় চৰকাৰে ঘৰুৱা ব্যৱহাৰযোগ্য ৰন্ধন গেছৰ নিৰ্ধাৰিত হিতাধিকাৰীক প্ৰতি বছৰে ৯টা চিলিণ্ডাৰৰ বাবে ৩০০ টকাকৈ ৰাজসাহায্য প্ৰদান কৰিব।কেন্দ্ৰীয় চৰকাৰে লগতে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আই অ চি এল, বি পি চি এল আৰু এইছ পি চি এলৰ বাবে ৩০ হাজাৰ কোটি টকাৰ ক্ষতিপূৰণ দিয়াৰ বাবেও অনুমোদন জনায়। তেওঁ কয় যে পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে ১২টা কিস্তিত এই ধনৰাশি প্ৰদান কৰিব। শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে যে কাৰিকৰী শিক্ষাৰ বিভিন্ন দিশ আৰু গৱেষণাৰ বাবে ৪ হাজাৰ ২০০ কোটি টকাত অনুমোদন দিছে। কাৰিকৰী শিক্ষাৰ মান উন্নত কৰাৰ বাবে

চৰকাৰে এই পদক্ষেপ হাতত লৈছে। এই ধনৰাশিৰ অধীনত প্ৰায় ২৭৫টা চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত কাৰিকৰী প্ৰতিষ্ঠানক নিৰ্বাচিত কৰি সাহায্য প্ৰদান কৰা হব।

তথ্য আৰু প্ৰযুক্তি মন্ত্ৰীগৰাকীয়ে কয় যে অসম আৰু ত্ৰিপুৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ চাৰিখন আঁচনিৰ অধীনত ৪ হাজাৰ ২৫০ কোটি টকাত অনুমোদন দিছে। তেওঁ কয় যে এই দুখন ৰাজ্যত ইয়াৰ ফলত আন্তঃগাঁথনিৰ বিকাশ আৰু বিভিন্ন জীৱন ধাৰণৰ প্ৰকল্পই নতুন নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ লগতে উপাৰ্জন বৃদ্ধি হব। শ্ৰীবৈষ্ণৱে লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে তামিলনাডুৰ মাৰাক্কনমৰ পৰা পুডুচেৰীলৈকে চাৰি-লেনযুক্ত পথৰ নিৰ্মাণৰ বাবেও অনুমোদন জনাইছে। এই প্ৰকল্পৰ বাবে দুহেজাৰ ১৫৭ কোটি টকা ব্যয় কৰা হব।

০০০০০০

বিৰোধী দলসমূহে বিভিন্ন বিষয় লৈ হুলস্থূলীয়া পৰিবেশ সৃষ্টি কৰাত দুয়োখন সদনৰ কাৰ্যক্ৰমণিকা আজি স্থগিত ৰখা হয়। বিয়লি ৩ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী দলৰ সাংসদসকলে সদনৰ মজিয়ালৈ গৈ বিহাৰৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বিষয়টোক লৈ বিভিন্ন শ্লোগান দিয়ে। সেই সময়ত সদনৰ দায়িত্বত থকা সদস্যগৰাকীয়ে বিৰোধী সাংসদসকলক সদনৰ মজিয়াৰ পৰা নিজ নিজ আসনলৈ ঘূৰি যাবলৈ আহ্বান জনায়। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে সদনে অনুমোদন জনোৱা আয়কৰ বিধেয়ক ২০২৫ বাতিল কৰাৰ প্ৰস্তাৱ দাখিল কৰে। হুলস্থূলীয়া পৰিবেশ অব্যাহত থকাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে শুকুৰবাৰৰ দিনটো ব্যক্তিগত বিধেয়কৰ দিন যদিও সদস্যসকলে ইয়াত বাধা প্ৰদান কৰিছে। তেওঁ চৰকাৰে প্ৰতিটো বিষয় লৈ আলোচনাৰ বাবে সাজু আছে বুলি অৱগত কৰে। ইয়াৰ পাছত হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই দিনটোৰ বাবে সদন স্থগিত ৰাখে।

প্ৰথমবাৰ বাবে সদন স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী দলৰ সদস্যসকলে বিহাৰৰ নিৰ্বাচনী তালিকাৰ পুনৰীক্ষণ সন্দৰ্ভত আলোচনাৰ দাবীত বিৰোধী দলৰ সদস্যসকলে প্ৰতিবাদ কৰিবলৈ আৰম্ভ কৰে। প্ৰিজাইডিং বিষয়া কৃষ্ণ প্ৰসাদ টেন্নেটিয়ে বিৰোধী দলৰ সদস্যসকলক নিজৰ আসনলৈ যাবলৈ অনুৰোধ কৰে। বিৰোধী দলৰ সদস্যসকলৰ আচৰণ আপত্তিজনক বুলিও তেওঁ কয়। ইয়াৰ পাছতো পৰিৱেশ একেই থকাত সদন বিয়লি ৩ বজালৈ স্থগিত ৰখা হয়।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত ভাৰত ত্যাগ আন্দোলনৰ স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। লগতে এই সপ্তাহতে নতুন দিল্লীত দেহাৰসান ঘটা প্ৰাক্তন সদস্য সত্যপাল মালিকলৈও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নকাল আৰম্ভ কৰাৰ চেষ্টা চলায় যদিও বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত দুপৰীয়া ১২ বজালৈকে সদন স্থগিত ৰখা হয়।

প্ৰথমবাৰৰ বাবে সদন স্থগিত ৰখাৰ পাছত দিনৰ ১২ বজাত ৰাজ্যসভা পুনৰ আৰম্ভ হোৱাৰ পাছত বিহাৰৰ নিৰ্বাচনী তালিকাৰ পুনৰীক্ষণ সন্দৰ্ভত আলোচনাৰ দাবীত বিৰোধী দলৰ সদস্যসকলে পুনৰ শ্লোগান দিবলৈ আৰম্ভ কৰে। সদনত প্ৰশ্নকাল আৰম্ভ কৰিবলৈ চেষ্টা কৰা হয় যদিও বিৰোধী দলৰ সদস্যসকলে হুলস্থূলীয়া পৰিৱেশ অব্যাহত থকাত সদন পৰিচালনাৰ দায়িত্বত থকা সদস্যগৰাকীয়ে দিনটোৰ বাবে সদন স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে আজি পুৰা সদন মিলিত হোৱাৰ পাছত ভাৰত ত্যাগ আন্দোলনৰ স্বাধীনতা সংগ্ৰামীসকলক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। উপ-সভাপতি হৰিবংশে কয়, যে কাইলৈ ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনৰ ৮৩ বছৰ সম্পূৰ্ণ হব। ১৯৪২ চনত মহাত্মা গান্ধীয়ে আৰম্ভ কৰা এই আন্দোলনে ব্ৰিটিছ ঔপনিৱেশিক শাসনৰ অন্ত পেলোৱাৰ এক নিৰ্ণায়ক আৰু শক্তিশালী ভূমিকা পালন কৰিছিল। বিৰোধী দলৰ সদস্যসকলে ইয়াৰ পাছতো হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাত ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশে কয়, যে এই হুলস্থূলীয়া পৰিৱেশৰ ফলত সদনে ৫৬ ঘণ্টাৰো অধিক সময় হেৰুৱাইছে। ইয়াৰ পাছতো পৰিৱেশ একেই থকাত উপ-সভাপতিয়ে সদন দিনৰ ১২ বজালৈকে স্থগিত ৰাখে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰোপদী মুৰ্মুৱে কাইলৈ ৰাখীবন্ধন উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে পৱিত্ৰ ৰাখীবন্ধনে ভাতৃ আৰু ভগ্নীসকলৰ মাজত স্নেহ আৰু বিশ্বাসৰ অনন্য বান্ধোনক প্ৰতিফলিত কৰে। তেওঁ কয় যে এই উৎসৱে সমাজৰ বাবে সমন্বয় আৰু একতাৰ বাৰ্তা প্ৰেৰণ কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে এই ৰাখীবন্ধনে মানৱীয় প্ৰমূল্য আৰু ভাৰতৰ চহকী সাংস্কৃতিক পৰম্পৰা ৰক্ষাৰ সুবিধা প্ৰদান কৰাই নহয়, ই মহিলাসকলক সন্মান কৰাৰ লগতে তেওঁলোকৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে প্ৰতিগৰাকী লোককে সবল কৰি তোলে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এখন সমৃদ্ধিশালী দেশ গঢ়ি তোলাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়, যাতে মহিলাসকলে সুৰক্ষিত অনুভৱ কৰাৰ লগতে দেশৰ উন্নয়নৰ ক্ষেত্ৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে।

০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিহাৰত নিৰ্বাচনী তালিকাৰ বিশেষ পুনৰীক্ষণৰ বিৰোধিতা কৰা আৰজেডিৰ মুৰব্বী লালু প্ৰসাদ যাদৱ আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীক তীব্ৰ সমালোচনা কৰে।

বিহাৰৰ সীতামাৰ্হীৰ পুনৌৰাধামত এখন ৰাজহুৱা সভাত ভাষণ দি বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কয় যে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ বিৰোধিতা কৰি বিৰোধী নেতাসকলে অনুপ্ৰৱেশকাৰীৰ পক্ষ লৈ ভোট বেংকৰ ৰাজনীতি কৰিছে। তেওঁ অভিযোগ কৰে যে নিৰ্বাচনী তালিকা শুধৰণিৰ কাম ইয়াৰ পূৰ্বে নেহৰুৰ সময়ছোৱাত আৰু ২০০৩ চনত কৰা হৈছিল যদিও তেতিয়া কোনেও বিৰোধিতা কৰা নাছিল। তেওঁ লগতে কয় যে

কংগ্ৰেছে বাহিৰাগতৰ ভোট বিচাৰে বাবেই পুনৰীক্ষণৰ বিৰোধীতা কৰিছে। ইয়াৰ পূৰ্বে অমিত শ্বাহে বিহাৰৰ সীতামড়ীৰ পুনাওৰাধামৰ জানকি মন্দিৰৰ আধাৰশিলা স্থাপন আৰু ভূমি পূজনত অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০০

**শক্তিমন্ত্ৰী মনোহৰ লাল খাট্টাৰ আৰু পাৰমানৱিক শক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি নতুন দিল্লীত ১০০ গিগাৱাট পাৰমানবিক শক্তি আঁচনিৰ আলোচনাৰ বাবে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকত দেশত বৰ্তমান ৮ দশমিক ৮ গিগাৱাটৰ পাৰমানবিক শক্তিৰ সামৰ্থ্য ২০৩২ বৰ্ষৰ ভিতৰত ২২ গিগাৱাটলৈ বৃদ্ধি কৰাৰ সবিশেষ আলোচনা কৰা হয়।**

০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে উৎপাদন জড়িত ভাট্টা সম্পৰ্কীয় এটা প'ৰ্টেল পুনৰ মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই প'ৰ্টেলৰ জৰিয়তে কৃত্ৰিম ভাৱে উৎপাদিত সূতাৰ পোছাক আৰু কাৰিকৰী বস্ত্ৰশিল্পৰ সামগ্ৰীৰ বাবে আবেদন জনাব পাৰিব। মন্ত্ৰালয়ে জনোৱা মতে অহা ৩১ আগষ্টলৈকে এই পৰ্টেল খোলা থাকিব। ইচ্ছুক সকলো প্ৰতিষ্ঠানক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত আবেদন দাখিল কৰিবলৈ মন্ত্ৰালয়ে আহ্বান জনাইছে। তেওঁলোকে জনোৱামতে পূৰ্বৰ অধিসূচনা আৰু আন সকলো চৰ্ত সম্প্ৰতি বাহাল থাকিব। অৱশ্যে প্ৰয়োজন হ'লে মন্ত্ৰালয়ে এই চৰ্ত পৰিবৰ্তন কৰিব পাৰিব।

০০০০০০

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে কৈছে যে কিছু স্থানীয় কাৰকৰ বাবে সমগ্ৰ দেশতে বিলাহীৰ মূল্য বৃদ্ধি হৈছে। বিভিন্ন মাধ্যমত প্ৰকাশ হোৱাৰ দৰে চাহিদা-যোগানৰ ভাৰসাম্যহীনতা অথবা উৎপাদন হ্ৰাস হোৱাৰ বাবে বিলাহীৰ মূল্য বৃদ্ধি হোৱা নাই। বিভাগে জনোৱা মতে, জুলাইৰ শেষ সপ্তাহৰ পৰা দেশৰ উত্তৰ আৰু উত্তৰ-পশ্চিম অঞ্চলত হোৱা প্ৰবল বৰষুণৰ বাবে দিল্লীত প্ৰতি কিলোগ্ৰাম বিলাহীৰ দাম ৭৩ টকালৈ বৃদ্ধি পাইছে।

বিলাহীৰ এনে অভাৱনীয় মূল্য বৃদ্ধিৰ পিছত ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় উপভোক্তা সংস্থাই আজাদপুৰ মণ্ডীৰ পৰা বিলাহী ক্ৰয় কৰি গ্ৰাহকক কম মূল্যত যোগান ধৰিবলৈ চেষ্টা কৰিছে। ৰাষ্ট্ৰীয় সমবায় উপভোক্তা সংস্থাই এতিয়ালৈকে প্ৰতি কিলোগ্ৰামত ৪৭ৰ পৰা ৬০ টকাৰ ভিতৰত ২৭ হাজাৰ কিলোগ্ৰামতকৈ অধিক বিলাহী বিক্ৰী কৰিছে।

০০০০০০

# সমাপ্ত